জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৬৩/২০২০

**আৱাসী ছাত্ৰ-ছাত্ৰীলৈ আৰ্থিক সাহায্য, হিন্দুস্তান পেপাৰ কৰ্পৰেশ্যনৰ কৰ্মচাৰীৰ সন্তানৰ শিক্ষা অনুদান, বিশ্ববিদ্যালয়, মহাবিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে অনুদান প্ৰদান অনুষ্ঠানত অংশ গ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে**

## শিক্ষা অবিহনে সপোন দিঠকত পৰিণত কৰাটো অসম্ভৱ ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১২ ফেব্ৰুৱাৰী ঃ** 'শিক্ষা অবিহনে সপোন দিঠকত পৰিণত কৰিব পৰা নাযায়। শিক্ষাৰ জৰিয়তে দক্ষ, যোগ্য নাগৰিক গঢ়ি তোলাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে নিৰন্তৰ প্ৰয়াস চলাই আহিছে। সফলতাৰ লগত সততা থাকিব লাগিব। শৃংখলাবদ্ধতা, শিষ্টাচাৰ, শালীনতাবোধ, গুৰুজনাই দি যোৱা আধ্যাত্মিকতা আৰু প্ৰমূল্যবোধৰ বাণীৰে জীৱনৰ বাটত আগুৱাব লাগিব। শ্ৰদ্ধা, ভক্তি, আন্তৰিকতা, নিয়মানুৱৰ্তিতা চৰিত্ৰ নিৰ্মাণৰ ক্ষেত্ৰত পিতৃ-মাতৃ, শিক্ষক-শিক্ষয়িত্ৰীসকলে আন্তৰিকতাৰে সহযোগিতা আগবঢ়াব লাগিব। ইতিবাচক চিন্তাইহে সংস্কাৰ সাধন কৰে। শিক্ষাই এই ক্ষেত্ৰত সুগভীৰ চিন্তাৰ বাট প্ৰশস্ত কৰে।' আজি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আৱাসী ছাত্ৰ-ছাত্ৰীলৈ আৰ্থিক সাহায্য, হিন্দুস্তান পেপাৰ কৰ্পৰেশ্যনৰ কৰ্মচাৰীৰ সন্তানৰ শিক্ষা অনুদান আৰু বিশ্ববিদ্যালয়, মহাবিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়ন সাধনৰ বাবে অনুদান প্ৰদান উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে একবিংশ শতিকাৰ প্ৰতিযোগিতাৰ পৃথিৱীত নিজৰ শ্ৰেষ্ঠতা প্ৰদৰ্শন কৰিবলগীয়া হ'লে কৰ্মপথাৰত দক্ষতা প্ৰতিপন্ন কৰিব লাগিব। ভাৰতৰ ভিতৰত এখন শ্ৰেষ্ঠ ৰাজ্য হিচাপে অসমক পৰিগণিত কৰাৰ লক্ষ্য বাস্তৱায়িত কৰিব লাগিব শিক্ষাৰ জৰিয়তে। উন্নত আৰু গুণগত শিক্ষাৰ জৰিয়তে আমি নতুন প্ৰজন্মক দক্ষ, যোগ্য, নিৰ্ভীক, আত্মবিশ্বাসী আৰু আদৰ্শ নাগৰিক হিচাপে গঢ় দিব লাগিব। এই দিশটোৰ প্ৰতি গুৰুত্ব আৰোপ কৰি ৰাজ্য চৰকাৰে আৰম্ভণিৰে পৰা শিক্ষা বিভাগক গুৰুত্ব প্ৰদান কৰি আহিছে। শিক্ষা গ্ৰহণৰ অসুবিধা সমূহ আঁতৰ কৰাৰ বাবে বিনামূলীয়া নামভৰ্ত্তি, ইউনিফৰ্ম, জলপানি, শৈক্ষিক ঋণৰ ক্ষেত্ৰত ৰাজ সাহায্যৰ লেখীয়া বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। 'জ্ঞানদীপিকা' আঁচনিৰ জৰিয়তে ছাত্ৰাৱাস আৰু ছাত্ৰীনিৱাসত থকা আৱাসীসকলক আৰ্থিক অনুদান প্ৰদানৰ জৰিয়তে ৰাজ্য চৰকাৰে শিক্ষাৰ এক শক্তিশালী পৰিৱেশ নিৰ্মাণ কৰিব বিচাৰিছে। ইয়াৰ দ্বাৰা আৰ্থিকভাৱে দুৰ্বল পৰিয়ালসমূহৰ ছাত্ৰ-ছাত্ৰীসকল বিশেষ ভাবে উপকৃত হ'ব পাৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

উৎকৃষ্টতা প্ৰদৰ্শন কৰিব লাগিলে কঠোৰ পৰিশ্ৰমত ব্ৰতী হ'ব লাগিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ছাত্ৰ-ছাত্ৰীসকলৰ সফলতাই সমাজ আৰু ৰাষ্ট্ৰীক গৌৰৱান্বিত কৰে। ছাত্ৰ-ছাত্ৰীসকলে নিজৰ ব্যক্তিত্বত থকা যোগ্যতাক আবিষ্কাৰ কৰিব লাগিলে পিতৃ-মাতৃ আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলে গুৰু দায়িত্ব বহন কৰিব লাগিব বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে বহু দিন ধৰি বন্ধ হৈ থকা কাছাৰ আৰু নগাঁও কাগজ কলৰ ছাত্ৰ-ছাত্ৰীসকললৈ আগবঢ়োৱা আৰ্থিক সহায়ে

তেওঁলোকক শিক্ষাৰ প্ৰতি উদগণি যোগাব। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে সাংস্কৃতিক বিশ্ববিদ্যালয়, ক্ৰীড়া বিশ্ববিদ্যালয়, চিকিৎসা মহাবিদ্যালয়, দক্ষতা বিশ্ববিদ্যালয়, অভিযান্ত্ৰিক বিদ্যালয়, পলিটেকনিকৰ লেখীয়া বহু উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান নিৰ্মাণ কৰিছে যাতে আমাৰ ৰাজ্যখনৰ ছাত্ৰ-ছাত্ৰীসকলে ৰাজ্যখনতে উপযুক্ত শিক্ষা আহৰণ কৰিব পাৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি শিক্ষা, বিত্ত আৰু গড়কাপ্তানি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে বিদ্যালয়, মহাবিদ্যালয়সমূহত জ্ঞানৰ চৰ্চা হ'ব লাগিব। তক্ষশীলা, নালন্দাৰ দৰে বিশ্ববিদ্যালয়ত বিতৰ্ক, যুক্তি চলিছিল। যুক্তিৰ ওপৰত হোৱা আলোচনাই ইতিবাচক ফলাফল কঢ়িয়াই বুলিও মন্ত্ৰীগৰাকীয়ে কয়। মন্ত্ৰীগৰাকীয়ে কয় যে অহা বছৰ উচ্চতৰ মাধ্যমিক পৰ্যায়ত বিনামূলীয়া পাঠ্যপুথি যোগান ধৰা হ'ব। উচ্চশিক্ষা সম্পূৰ্ণ বিনামূলীয়া কৰাৰ বাবে ৰাজ্য চৰকাৰে দৃঢ়তাৰে প্ৰয়াস চলাই আহিছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে চলিত বছৰত কেইবাখনো নতুন ডিগ্ৰী কলেজ স্থাপন কৰাৰ উপৰি গোলাঘাটত এখন বিশ্ববিদ্যালয় স্থাপন কৰা হ'ব। অহা ৪৫ দিনৰ ভিতৰত ৰাজ্য চৰকাৰে প্ৰাদেশীকৰণ, অধ্যাপক, অধ্যাপিকাৰ খালী স্থান পূৰণ, শিক্ষকৰ সমস্যা সমাধানৰ লেখীয়া পদক্ষেপ সমূহ কাৰ্যকৰীকৰণৰ বাবে চৰকাৰে প্ৰয়াস চলাব। বেংক একাউন্টলৈ প্ৰত্যক্ষ হস্তান্তৰৰ জৰিয়তে ৫০ শতাংশ হিতাধিকাৰীক সামৰি লোৱাৰ বাবেও ৰাজ্য চৰকাৰে প্ৰয়াস চলাব বুলি মন্ত্ৰীগৰাকীয়ে কয়।

আজিৰ এই অনুষ্ঠানত শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী ভৱেশ কলিতাইও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী পীযুষ হাজৰিকা, বিত্ত বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্য সচিব ৰাজীৱ বৰা, বিত্ত বিভাগৰ প্ৰধান সচিব সমীৰ সিনহা, ৰবীন্দ্ৰ নাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° অমলেন্দু চক্ৰৱৰ্তী, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° ৰঞ্জিত তামুলী, এছ বি আইৰ ডিজিএম সুশান্ত চাহু, শিক্ষা বিভাগৰ উচ্চপদস্থ বিষয়া, বিভিন্ন মহাবিদ্যালয়ৰ অধ্যক্ষ প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**পুঃডেঃ / প্ৰঃবঃ / বঃভাঃ**

**১২/০২/২০২০**